**Regional News Unit**
**AKASHVANI, Guwahati**
**0000000000**

Date :  01-08-2024
Time : 1845 Hrs

*Assamese Evening Bulletin*
*HEADLINES*
- - - - - - - - - - - - - - - - - - - -

১।        ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি আৰু বৃক্ষ অৰ্থনীতি বিকাশৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় আৰম্ভ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিছপুৰৰ মন্ত্ৰীসকলৰ আৱাস চৌহদত অশোক গছৰ পুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ।

২।        পেৰিছ অলিম্পিকত আজিৰে পৰা এথলেটিকছ্ শিতানৰ খেলসমূহ আৰম্ভ। পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত স্বপ্নীল কুশালে লাভ কৰা ব্ৰঞ্জৰ পদকেৰে ভাৰতৰ মুঠ পদকৰ সংখ্যা ৩লৈ বৃদ্ধি।

৩।        ৰাজ্যৰ বিদ্যালয়সমূহত ডিজিটেল মাধ্যমৰ শিক্ষাদান ব্যৱস্থাক অধিক শক্তিশালী কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

*আৰু*

৪।        অনুসূচিত জাতি আৰু জনজাতি লোকসকলৰ বাবে বিভিন্ন সা-সুবিধা লাভৰ ক্ষেত্ৰত ক্ৰীমি লেয়াৰ নীতি প্ৰয়োগৰ বাবে উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শ।

ooooo

ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি আৰু বৃক্ষ অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে। এই কাৰ্যসূচীৰ অধীনত অহা ২০ আগষ্ট পৰ্যন্ত ৰাজ্যজুৰি ৩ কোটি গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ মন্ত্ৰীসকলৰ আৱাসীক চৌহদৰ উদ্যানত এটা অশোক গছৰ পুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। এই বছৰ **এজুপি গছ মাৰ নামত** শীৰ্ষক বিষয়বস্তুৰে আজিৰেপৰা ১৫ আগষ্ট পৰ্যন্ত ৩ কোটি বাণিজ্যিকভাৱে উপযোগী গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আজি কাৰ্যসূচীত অংশ লোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে, এগৰাকী ব্যক্তিৰ জীৱনত নিজৰ মাতৃতকৈ শ্ৰেষ্ঠ কোনো হ'ব নোৱাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে **এক পেড় মা কে নাম** অভিযান আৰম্ভ কৰি দেশ তথা সমগ্ৰ বিশ্বৰ জনসাধাৰণক নিজৰ মাতৃৰ নামত একোটিকৈ গছপুলি ৰোপণৰ আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰীৰ আহ্বানৰ অনুপ্ৰেৰণাৰে ৰাজ্য চৰকাৰে এই কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এইবছৰ অমৃত বৃক্ষ আন্দোলনৰ অধীনত ৰোপণ কৰিবলগীয়া ৩ কোটি গছপুলি বন বিভাগে নিজৰ নাৰ্চাৰীত উৎপাদন কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, বিগত বৰ্ষৰ অমৃত বৃক্ষ আন্দোলনত ৰোপণ কৰা গছপুলিসমূহৰ ৯৫ শতাংশ পুলি বৰ্তি আছে। এইবাৰৰ কাৰ্যসূচী ১৫ আগষ্টলৈ ধাৰ্য কৰা হৈছে যদিও প্ৰয়োজন সাপেক্ষে ২০ আগষ্টলৈ সময়সীমা বৃদ্ধি কৰা হ'ব। আজিৰ অনুষ্ঠানত বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

তামুলপুৰ জিলাত আজি ৰাজ্যৰ কেবিনেট মন্ত্ৰী তথা তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এইবাৰ জিলাখনত ৩ লাখ ৫৯ হাজাৰ ৭৬ জোপা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আজি গছপুলি ৰোপণৰ পাছত অমৃত বৃক্ষ আন্দোলনৰ সৈতে সংগতি ৰাখি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলা প্ৰশাসন আৰু বিটিআৰৰ বন বিভাগৰ উদ্যোগত আজি কোকৰাঝাৰত বডোফা সাংস্কৃতিক কেন্দ্ৰৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। স্থানীয় বিধায়ক লৰেন্স ইছলাৰীয়ে অমৃত বৃক্ষ আন্দোলনৰ অংশ হিচাপে **এজুপি গছ মাৰ নামত** শীৰ্ষক কাৰ্যসূচীত অংশ লয়। মৰিগাঁও জিলাত আয়ুক্ত দেৱাশিষ শৰ্মাই আজি অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰে। তেওঁ কয় যে, সেউজ আৱৰণ বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপ মৰিগাঁও জিলাতো সফল কৰি তোলাৰ চেষ্টা চলোৱা হৈছে। বৰপেটা জিলাত আজি এজোপা মেহগনি গছৰ পুলি ৰোপণ কৰি জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গে অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰে। আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে জিলাখনত এইবাৰ ১২ লাখ ৯০ হাজাৰটা গছপুলি ৰোপণ কৰা হ'ব। ইয়াৰ বাবে ২ লাখ ৬০ হাজাৰ হিতাধিকাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে। গছপুলিসমূহ ১২ আগষ্টৰ ভিতৰত ৰোপণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে জিলাখনত যোৱা বছৰত চাৰে ৪ লাখ গছপুলি ৰোপণ কৰা হৈছিল। ডিমা হাচাও জিলাৰ হাফলঙতো আজি এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। ডিমা হাচাও জিলা প্ৰশাসনে বন বিভাগ আৰু আগৰতলা খণ্ডৰ হাফলং বেটেলিয়নৰ সহযোগত হাফলং আৰ্ৱত ভৱনত গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাই গছপুলিসমূহ বিতৰণ কৰে। শোণিতপুৰ জিলা প্ৰশাসন আৰু বন বিভাগৰ উদ্যোগত আজি ভোমোৰাগুৰি বন

সংমণ্ডল কাৰ্যালয়ৰ সমীপৱৰ্তী কলিয়াভোমোৰা দলঙৰ কাষত গছপুলি ৰোপণ কৰা হয়। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এইবাৰ শোণিতপুৰত যোৱা বছৰৰ তিনিগুণ অৰ্থাৎ ১২ লাখ গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। জিলাখনৰ আয়ুক্তগৰাকীয়ে কয় যে, ৪ আগষ্টত শোণিতপুৰ জিলা দিৱস উদযাপনৰ অংশ হিচাপে আন এটা বাগিচা অভিযান ৰূপায়ণ কৰা হ'ব।

তিনিচুকীয়া জিলাৰ গুইজান উন্নয়ন খণ্ডৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত আজি অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে আজি গছপুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তেওঁ কয় যে, জিলাখনত ১১ লাখ ৫০ হাজাৰ গছপুলি ১৫ আগষ্টৰ ভিতৰত ৰোপণৰ লক্ষ্য লোৱা হৈছে। সকলো শ্ৰেণীৰ ৰাইজক গছপুলি ৰোপণৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিত আজি এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জিলাখনত ১২ লাখ ৫০ হাজাৰতকৈ অধিক গছপুলি ৰোপণ কৰা হ'ব বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। জিলাখনত এইবাৰ ১৩ লাখ ২৯ হাজাৰৰো অধিক গছপুলি ৰোপণ আৰু বিতৰণৰ লক্ষ্য লোৱা হৈছে।

০০০০০

ৰাজ্যৰ পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত দুয়োগৰাকীয়ে ৰাজ্যখনৰ পথ উন্নয়ন আৰু মেৰামতিৰ বিভিন্ন দিশ সম্পৰ্কত আলোচনা কৰে। ইফালে, শ্ৰীমহন্তই কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সাক্ষাৎ কৰি ৰাজ্যৰ জলপথ উন্নয়নৰ বিষয়ে আলোচনা কৰে। এই সাক্ষাৎ কালত মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ পৰিবহন সচিব আদিল খান আৰু পৰিবহন আয়ুক্ত মেঘ নিধি দাহালো উপস্থিত আছিল।

০০০০০

পেৰিছ অলিম্পিকত আজিৰে পৰা এথলেটিক্‌ছ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। পেৰিছ অলিম্পিকত আজি ভাৰতৰ স্বপ্নীল কুশালে পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত লাভ কৰা ব্ৰঞ্জৰ পদকেৰে ভাৰতৰ মুঠ পদকৰ সংখ্যা ৩ লৈ বৃদ্ধি পালে। এই শিতানত কুশালে প্ৰথমগৰাকী ভাৰতীয় পুৰুষ খেলুৱৈ হিচাপে পদক জয় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেলুৱৈগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। দুবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰা নিখাট জাৰিনে মহিলাৰ বক্সিঙৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত এছিয়ান গেমছৰ চেম্পিয়ন ৱু য়ুৰ বিৰুদ্ধে পৰাজয় বৰণ কৰে। হকীত গ্ৰুপ-বিৰ কোৱালিফায়াৰ খেলত ভাৰত বেলজিয়ামৰ বিৰুদ্ধে ২-১ত পৰাজিত হৈছে। ছিফ্‌ট কৌৰ আৰু অঞ্জুম মুডগিলে মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানৰ যোগ্যতা নিৰূপণৰ ৰাউণ্ডৰ খেলত পৰাজয় বৰণ কৰিছে। ইপিনে, পি ভি সিন্ধু, লক্ষ্য সেন আৰু এইছ এছ প্ৰণয় বেডমিণ্টনৰ ছিংগলছত নক-আউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব। আনহাতে, সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ আৰন ছিয়া আৰু শ্'হ ৱি য়িকৰ হাতত পৰাজয় বৰণ কৰে। ভাৰতৰ সেনা বাহিনীৰ লেফটেনেণ্ট কৰ্ণেল কাবিলান ছাই অশোক অলিম্পিকৰ বক্সিঙত ভাৰতৰ সৰ্ব কনিষ্ঠ ৰেফাৰী হিচাপে পৰিগণিত হৈছে। পেৰিছ অলিম্পিকৰ বক্সিঙত ৰেফাৰী হিচাপে দায়িত্ব গ্ৰহণ কৰা ৩২ বছৰীয়া কালিবান অশোকে সম্প্ৰতি ভাৰতীয় সেনা বাহিনীৰ ছাৰ্ভিচেছ স্পৰ্টছ কন্ট্ৰল বোৰ্ডৰ যুটীয়া সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

পেৰিছ অলিম্পিকৰ শেহতীয়া বা-বাতৰি সম্পৰ্কে এয়া পেৰিছৰ পৰা ক্ৰীড়া সাংবাদিক সুবোধ মল্লবৰুৱা -

**ভইচ কাষ্ট**

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত শনিবাৰে নিশা ৮ বাজি ২ মিনিটত শ্ৰোতাৰ বাবে অলিম্পিক কুইজৰ আয়োজন কৰিছে। সেইদিনা পেৰিছ অলিম্পিক সন্দৰ্ভত হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাৰ বাবে প্ৰশ্ন সোধা হ'ব। কুইজ প্ৰতিযোগিতাৰ বাবে দৃষ্টিপাত অনুষ্ঠানৰ যোগেদি শ্ৰোতাসকলে উত্তৰ দিব পাৰিব।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গ্ৰীষ্ম বন্ধৰ পাছত আজি পাঠদান আৰম্ভ হোৱাৰ দিনটোত ডিজিটেল মাধ্যমেৰে ৰাজ্যৰ ৭ হাজাৰ ৭২০খন বিদ্যালয়লৈ শুভেচ্ছামূলক বাৰ্তা প্ৰেৰণ কৰে। সমগ্ৰ শিক্ষা, অসমৰ কাৰ্যালয়ৰ পৰা এই বিদ্যালয়সমূহৰ সৈতে সংযোগ স্থাপন কৰি মন্ত্ৰী ডাঃ পেগুৱে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ শুভেচ্ছা জনায়। ইয়াৰ পাছতে শিক্ষামন্ত্ৰী ডাঃ পেগুৱে অসমৰ বিদ্যালয়সমূহত টেলি এডুকেশ্যন, স্মাৰ্ট ক্লাছ তথা আই চি টি ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহত ১০০ শতাংশ স্মাৰ্ট ক্লাছ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী ডাঃ পেগুৱে কয় যে শিক্ষাদানৰ ক্ষেত্ৰত শ্ৰেণীকোঠাত দান কৰা শিক্ষাৰ উপৰি ডিজিটেল মাধ্যমৰ শিক্ষাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই ব্যৱস্থাসমূহ অনাগত দিনত অধিক শক্তিশালী কৰা হ'ব বুলি ডাঃ পেগুৱে সদৰি কৰে।

০০০০০

সৰ্বশিক্ষা অভিযান মিছনে ৰাজ্যৰ ৯৭৪গৰাকী ঠিকাভিত্তিক আৰু ষ্টেটপুল শিক্ষকৰ আন্তঃজিলা বদলিৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মিছনে নিৰ্ধাৰিত দিনত নিজ শিক্ষানুষ্ঠানত যোগদান কৰিবলৈ বদলিকৃত শিক্ষকসকলক আহ্বান জনাইছে।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি লোকসকলৰ বাবে বিভিন্ন সা-সুবিধা লাভ কৰাৰ ক্ষেত্ৰত ক্ৰিমি লেয়াৰ নীতি প্ৰয়োগ কৰাৰ বাবে পৰামৰ্শ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত এখন সাতজনীয়া বিচাৰপীঠে আজি ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ভিতৰত উপ-বৰ্গীকৰণৰ অনুমতি প্ৰদান সম্বন্ধে ৰায়দান কৰি এই পৰামৰ্শ দিয়ে। সংবিধানৰ দফা অনুসৰি সংৰক্ষিত শ্ৰেণী, গোটসমূহৰ মাজত উপ-শ্ৰেণীবিভাজন বা উপ-বৰ্গীকৰণ অনুমোদিত হ'বনে বুলি উত্থাপিত প্ৰশ্ন সন্দৰ্ভত এই পৰামৰ্শ দিয়ে। ন্যায়ালয়ে এই সন্দৰ্ভত ২০০৪ চনৰ পি ভি চিন্নায়াৰ ৰায়ক ৬-১ বহুমতত খাৰিজ কৰে। চিন্নায়াই তেওঁৰ ৰায়ত অনুসূচিত জাতিৰ সংৰক্ষণৰ ক্ষেত্ৰত উপ-বৰ্গীকৰণ চৰকাৰী চাকৰি আৰু প্ৰৱেশৰ ক্ষেত্ৰত স্বীকাৰ কৰা নহ'ব বুলি উল্লেখ কৰিছিল।

০০০০০

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৬০ অতিক্ৰম কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্যান্য সংস্থাৰ সহযোগত যোৱা মঙলবাৰৰ পৰা অঞ্চলটোত সাহায্য আৰু উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰিছে। টিছ্ ঘ-১৭ পৰিবহণ বিমানৰ জৰিয়তে অঞ্চলটোত ৫৩ মেট্ৰিক টন  চিকিৎসা সামগ্ৰীকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ইপিনে, খত-৩২ আৰু ঘ-১৩০ বিমানৰ যোগেদি সাহায্য সামগ্ৰী তথা জোৱানসকলক অনা-নিয়া কৰা হৈছে। এই বিমানসমূহে সামগ্ৰিকভাৱে উদ্ধাৰকাৰী দলসমূহকে ধৰি ২০০তকৈও অধিক লোকৰ যাতায়াতত সহায় কৰাৰ লগতে দুৰ্যোগ প্ৰভাৱিত এলেকাৰ পৰা বাসিন্দাসকলক স্থানান্তৰৰ কামত জড়িত হৈছে। আনহাতে, সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে ণ্চ-১৭ আৰু ধ্ৰুৱ্ নামৰ উন্নত লঘু হেলিকপ্তাৰ ব্যৱহাৰ কৰা হৈছে। এই হেলিকপ্তাৰসমূহে প্ৰভাৱিত এলেকাসমূহৰ পৰা যথেষ্ট সংখ্যক লোকক নিৰাপদে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিক'ড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই ইতিমধ্যে তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা প্ৰবল বৃষ্টিপাতৰ ফলত ধনশিৰি আৰু ইয়াৰ উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। নদীকেইখনৰ বাঢ়নী পানীয়ে গোলাঘাট জিলা, মৰঙী আৰু নুমলীগড় অঞ্চলৰ বিভিন্ন গাঁও প্লাৱিত কৰিছে। বানৰ ফলত খুমটাই বিধানসভা সমষ্টিৰ শাওতলী, ভোলাগুৰি, আৰৰঘাট, আধাৰ সত্ৰ, বুটলিখোৱাকে ধৰি ১০খনৰো অধিক গাঁও প্লাৱিত হৈছে। আনহাতে, মৰঙী ৰাজহ চক্ৰৰ লেটেকুচাপৰি, বৰচাপৰি, কেন্দুগুৰি আদিকে ধৰি ২০খনৰো অধিক গাঁও প্লাৱিত হৈছে। বানত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে জিলা প্ৰশাসনে বিভিন্ন ঠাইত আশ্ৰয় শিবিৰ মুকলি কৰাৰ লগতে সাহায্য প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

কামৰূপ জিলা উপভোক্তা বিবাদ নিবাৰণ আয়োগে এটা নিৰ্দেশযোগে গ্ৰাহকক উপযুক্ত সেৱা প্ৰদান নকৰাৰ অভিযোগত এটা মোবাইল কোম্পানীক ৪৫ দিনৰ ভিতৰত ক্ষতিপূৰণ আদায়ৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে এজন গ্ৰাহকে বেয়া হোৱা মোবাইল ফোনৰ বাবদ কোম্পানীটোৰ পৰা উপযুক্ত সেৱা লাভ নকৰাৰ অভিযোগত উপভোক্তা বিবাদ নিবাৰণ আয়োগৰ ওচৰত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ শুনানি লৈ আয়োগে ৪৫ দিনৰ ভিতৰত মোৰবাইল ফোনটো মেৰামতি কৰি দিয়াৰ উপৰি গোচৰ দাখিলৰ সময়ৰ পৰা ১০ শতাংশ সুদৰ সৈতে ৪০ হাজাৰ টকাৰ ক্ষতিপূৰণ আৰু গোচৰটো চলোৱাৰ ব্যয় হিচাপে ১০ হাজাৰ টকা অতিৰিক্তভাৱে আদায় দিবলৈ নিৰ্দেশ দিয়ে। লগতে ৪৫ দিনৰ ভিতৰত ক্ষতিপূৰণৰ এই ধন আদায় নিদিয়া সমুদায় ধনৰ ওপৰত ১২ শতাংশ অতিৰিক্ত সুদসহ বঞ্চিত গ্ৰাহকগৰাকী আদায় দিব লাগিব বুলিও আয়োগে নিৰ্দেশটোত স্পষ্ট কৰি দিয়ে।

০০০০০

সমাপ্ত